**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-05-2025
**Time :** 1720 Hrs

***Assamese Evening Bulletin***

**-------------------**

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি নতুন দিল্লীৰ চৰকাৰী বাসভৱনত এখন উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হয়। এই বৈঠকত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙ, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰ, ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভাল, চীফ অফ ডিফেনছ ষ্টাফ জেনেৰেল অনিল চৌহান, সেনা প্ৰধান জেনেৰেল উপেন্দ্ৰ দ্বিবেদী, নৌসেনা প্ৰধান এডমিৰেল দীনেশ কে ত্ৰিপাঠী আৰু বায়ু সেনা প্ৰধান এয়াৰ চীফ মাশ্বাৰ্ল অমৰ প্ৰীত সিং উপস্থিত আছিল। ভাৰত আৰু পাকিস্তানৰ মাজত কালি হোৱা সংঘৰ্ষ বিৰতিৰ বুজাবুজিৰ পাছত আজি এই গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। কাইলৈ দুয়োখন দেশৰ সামৰিক অভিযান সঞ্চালকপ্ৰধান, **DGMO** পৰ্যায়ৰ আলোচনা অনুষ্ঠিত হোৱাৰ কথা।

উল্লেখযোগ্য যে বিদেশ সচিব বিক্ৰম মিশ্ৰীয়ে যোৱা নিশা পাকিস্তানে সংঘৰ্ষ বিৰতি উলংঘা কৰাৰ বিষয়টো নতুন দিল্লীয়ে গুৰুত্ব সহকাৰে লৈছে বুলি সংবাদমেলত উল্লেখ কৰিছিল। তেওঁ লগতে সামগ্ৰিক পৰিস্থিতিত সশ্ৰস্ত্ৰ বাহিনীসমূহে চোকা দৃষ্টি ৰাখিছে বুলি উল্লেখ কৰিছিল। আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ লগতে নিয়ন্ত্ৰণ ৰেখাত হোৱা যিকোনো কূটাঘাটমূলক ঘটনাৰ শক্তিশালী প্ৰত্যুত্তৰ দিবলৈ সশস্ত্ৰ বাহিনীক নিৰ্দেশ দিয়া হৈছে বুলিও বিদেশ সচিবগৰাকীয়ে অৱগত কৰিছে।

০০০০০০

অপাৰেচন সিন্দুৰ কেৱল সামৰিক অভিযানেই নহয় বৰং এই অভিযানে ভাৰতৰ ৰাজনৈতিক, সামাজিক, কৌশলগত ক্ষেত্ৰত দৃঢ়তাক প্ৰতিপন্ন কৰিছে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি লক্ষ্ণৌত ব্ৰহ্মছ ক্ষেপনাস্ত্ৰৰ আকাশমাৰ্গত সংহতকৰণ আৰু পৰীক্ষণ ব্যৱস্থা ভাৰ্চুৱেল পদ্ধতিৰে মুকলি কৰি দিয়া ভাষণত এই কথা উল্লেখ কৰে। তেওঁ কয় যে অপাৰেছন সিন্দুৰে সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ কঠোৰ স্থিতিক প্ৰতিফলিত কৰাৰ উপৰি সামৰিক শক্তিৰ দৃঢ়তা আৰু সামৰ্থক বিশ্বৰ সন্মুখত তুলি ধৰিছে।

০০০০০০

ৰাজ্যত দুটা পৰ্যায়ত অনুষ্ঠিত পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনা ২৭খন জিলাত একেলগে চলি আছে। আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ একাংশ পদত ইতিমধ্যে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিছে। এইবাৰ গাঁও পঞ্চায়ত সদস্যৰ বাবে কোনো দলীয় প্ৰাৰ্থী নাছিল, ৰাজনৈতিক দলৰ সলনি নিৰ্দলীয়ভাৱে প্ৰাৰ্থীসকলে প্ৰতিদ্বন্দ্বিতা আগবঢ়ায়।

বৰপেটাৰ মাধৱ চৌধুৰী মহাবিদ্যালয়ত জিলাখনৰ পাঁচটা বিধানসভা সমষ্টিৰ অন্তৰ্গত পঞ্চায়তৰ ভোটগণনা চলি আছে। এই পৰ্যন্ত অতি কম সংখ্যক গাঁও পঞ্চায়ত আৰু আঞ্চলিক পঞ্চায়তৰ ফলাফল আনুষ্ঠানিকভাৱে প্ৰকাশ কৰা হৈছে। আঞ্চলিক পঞ্চায়তৰ ক্ষেত্ৰত হৰিপুৰ সমষ্টিত আম আদমী পাৰ্টিৰ প্ৰাৰ্থীয়ে জয়লাভ কৰিছে। শ্ৰীভূমিত অনুষ্ঠিত ভোটগণনাত বাতৰি যুগুতোৰ পৰলৈকে বিজেপি আৰু কংগ্ৰেছ দলৰ প্ৰাৰ্থীৰ মাজত তীব্ৰ যুঁজ চলিছে। মৰিগাঁও জিলাৰ চৰাইবাহী চাবুকধৰা জিলা পৰিষদৰ অন্তৰ্গত কপিলী আঞ্চলিক পঞ্চায়তত বিজেপি প্ৰাৰ্থী

আগবাঢ়ি আছে। শোণিতপুৰ জিলাৰ ঢেকিয়াজুলিত কঠোৰ নিৰাপত্তাৰ মাজেৰে ভোটগণনা চলি আছে। প্ৰতিকূল বতৰৰ বাবে বহু জিলাত পলমকৈ ভোটগণনা আৰম্ভ হয়।

বৰাক উপত্যকাৰ কাছাৰ, শ্ৰীভূমি আৰু হাইলাকান্দি জিলাতো ভোটগণনা চলি আছে।

ধেমাজি আৰু মাজুলীত ইতিমধ্যে কেইবাগৰাকীও ৱাৰ্ড সদস্যই জয়লাভ কৰিছে। মাজুলীৰ ৰাৱনপাৰা আঞ্চলিক পঞ্চায়তৰ আঞ্চলিক সদস্যৰ বিজেপি মিত্ৰজোঁটৰ পৱিত্ৰ বৰা বিজয়ী হৈছে। গড়মূৰ আঞ্চলিক পঞ্চায়তো বিজেপিৰ প্ৰাৰ্থী ৰেখা বৰুৱা বিজয়ী হয়। ইপিনে, আহতগুৰি আঞ্চলিক পঞ্চায়তত মিত্ৰজোঁটে অগ্ৰগতি লাভ কৰাৰ লগতে মাজুলীৰ চাৰিখন জিলা পৰিষদতো মিত্ৰজোঁটৰ প্ৰাৰ্থী আগবাঢ়ি আছে। চৰাইদেউ জিলাত প্ৰথম পৰ্যায়ৰ ভোটগণনা ফলাফল অনুসৰি সোণাৰি বিধানসভা সমষ্টিৰ সোণালী গাঁও পঞ্চায়তৰ ১০টা ৱাৰ্ডতে বিজেপি প্ৰাৰ্থী জয়ী হৈছে।

০০০০০০

জলসম্পদ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই আজি তামুলপুৰ জিলাৰ পাগলাদিয়া নৈত নিৰ্মীয়মান মথাউৰি পৰিদৰ্শন কৰে। মন্ত্ৰী শ্ৰীহাজৰিকাই তামুলপুৰৰ জাৰতালুকত প্ৰায় ৭ কিলোমিটাৰ দৈৰ্ঘ্যৰ নিৰ্মীয়মান মথাউৰিৰ লগতে গোৰেশ্বৰৰ শুক্লাই নৈত নৱনিৰ্মিত মথাউৰিও পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে লগতে নিধুৱাত নিৰ্মাণ কৰা মথাউৰিও পৰিদৰ্শন কৰে। পৰিদৰ্শন কালত মন্ত্ৰীগৰাকীয়ে কয় যে তামুলপুৰ জিলাত এইবাৰ ১৩ কিলোমিটাৰ মথাউৰি উন্নত প্ৰযুক্তিৰে নিৰ্মাণ কৰা হৈছে।

০০০০০০

অসমৰ উদীয়মান মহিলা ভাৰোত্তোলক আইচাংফা গগৈয়ে সপ্তম খেলো ইণ্ডিয়া যুৱ ক্ৰীড়া সমাৰোহত ৰাষ্ট্ৰীয় অভিলেখ গঢ়ি সোণৰ পদক দখল কৰিবলৈ সমৰ্থ হৈছে। বিহাৰৰ ৰাজগীৰত চলি থকা প্ৰতিযোগিতাখনৰ আজি ছোৱালীৰ ৫৫ কিলোগ্ৰাম ওজন শাখাত ভাৰোত্তোলকগৰাকীয়ে দুটাকৈ ৰাষ্ট্ৰীয় অভিলেখ ভংগ কৰি সোণৰ পদক জয় কৰে। অসমে আজি প্ৰতিযোগিতাখনত আৰু এটা ৰূপৰ পদক জয় কৰে। ভাৰোত্তোলনৰ ল'ৰাৰ ৬৭ কিলোগ্ৰাম ওজন শাখাত অসমৰ অভিনৱ গগৈয়ে ৰূপৰ পদক জয় কৰে। আনহাতে, খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াৰ চেপাকটাক্ৰ'ত অসসমৰ ল'ৰাৰ দলে সোণৰ পদক লাভ কৰিছে। কালি নিশা অনুষ্ঠিত ডাবলছ্ শাখাৰ ফাইনেলত অসমে বিহাৰক ১৫-১৩, ১৭-১৫ৰ ব্যৱধানত পৰাস্ত কৰে। সোণৰ পদক দখল কৰা অসমৰ দলটো এম থৈবা সিনহা, প্ৰিন্স সিনহা আৰু অভিজিৎ সিনহাৰে গঠিত।

০০০০০০

**সমৰ্থ প'ৰ্টেলৰ** জৰিয়তে শিক্ষাৰ্থীসকলে কাইলৈৰ পৰা চলিত ২০২৫-২৬ বৰ্ষত স্নাতক পাঠ্যক্ৰমত নিজৰ নাম পঞ্জীয়ন কৰিব পাৰিব। ৰাজ্যৰ শিক্ষা বিভাগে এই সন্দৰ্ভত জাননী জাৰি কৰিছে। নিৰ্দেশনা অনুসৰি অনা উমৈহতীয়া বিশ্ববিদ্যালয় বাছনি পৰীক্ষা অৰ্থাৎ ন'ন চি ইউ ই টিৰ প্ৰাৰ্থীসকলৰ ক্ষেত্ৰত কাইলৈৰ পৰা ২২ মে'লৈকে আবেদনকাৰীৰ দ্বাৰা পাঠ্যক্ৰম নিৰ্বাচন আৰু শিক্ষানুষ্ঠানৰ দ্বাৰা আবেদনসমূহৰ পৰীক্ষণ প্ৰক্ৰিয়া আৰম্ভ হ'ব।

০০০০০০

সমাপ্ত